**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-SEP-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**--------------------**

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ এদিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। বিজেপি, কংগ্ৰেছ, ইউ পি পি এল আৰু বিপিএফকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বই নিজৰ দলৰ প্ৰাৰ্থীৰ হৈ বিভিন্ন স্থানত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। নিৰ্বাচনলৈ মাজত মাথো দুটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলৰ নেতৃত্বই ভোটদাতাক বিভিন্ন প্ৰকাৰে আকৰ্ষণৰ চেষ্টা চলাইছে। বিজেপিৰ হৈ দলটোৰ শীৰ্ষ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি বাক্সা আৰু ওদালগুৰি জিলাত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ পাছত আজি মুখ্যমন্ত্ৰীগৰাকীয়ে চিৰাঙত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব। জিলাখনত আজি ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱেও দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। আজি তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈ পশ্চিমবংগ তৃণমূল যুৱ কংগ্ৰেছৰ সভানেত্ৰী তথা সাংসদ সায়নী ঘোষে চিৰাঙত প্ৰচাৰ চলাব।

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ওদালগুৰি জিলাৰ বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে। কালি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্ত্ৰী পীযুষ হাজৰিকাক লগত লৈ জিলাখনত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

চিৰাঙতো বিটিচি পৰিষদীয় নিৰ্বাচনৰ প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। নিৰ্বাচনৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ বাবেও প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। চিৰাং জিলাৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত এয়া আকাশবাণীৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জমোহন ৰায়ৰ প্ৰতিবেদন-

*(ভইচ - কুঞ্জমোহন ৰায়)*

০০০০০০

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযান সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আমাৰ কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ সংবাদদাতা কেইগৰাকীৰ লগতে বি টি চিৰ ভোটগ্ৰহণ কেন্দ্ৰ থকা বিশ্বনাথ জিলাৰ সংবাদদাতাগৰাকীয়েও অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে আঁত ধৰিবলগীয়া এই আলোচনাত সাংবাদিক অৰূপ শান্দিল্যইও ষ্টুডিঅ'ৰ পৰা আমাৰ সংবাদদাতাসকলৰ সৈতে আলোচনাত ভাগ ল'ব।

০০০০০০

তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগনে আজি গুৱাহাটীৰ জ্যোতি চিত্ৰবনত আয়োজিত ছ'ল কাহিনী তথ্যচিত্ৰ মহোৎসৱৰ উদ্বোধন কৰে। মন্ত্ৰীগৰাকী উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ে ২০২৫-২৬ বৰ্ষৰ শিল্পী পেঞ্চন আঁচনিৰ বাবে শিল্পীসকলৰ পৰা প্ৰয়োজনীয় প্ৰমাণপত্ৰসমূহ আবেদনৰ আহ্বান জনাইছে। শিল্পীসকলে www.directorculture.assam.gov.in আৰু

www.silpisanmanassam.com যোগে অনলাইন আবেদন কৰিব পাৰিব। অহা ১০ অক্টোবৰ আবেদনৰ অনলাইন পঞ্জীয়নৰ অন্তিম দিন। উল্লেখযোগ্য যে চৰকাৰে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা ব্যক্তিসকললৈ পেঞ্চন, পৰিয়াল পেঞ্চন তথা বাৰ্ষিক শিল্পী সন্মানৰ লগতে শিল্পীৰ অভাৱগ্ৰস্ত পৰিয়াললৈ বিশেষ পেঞ্চন আগবঢ়াই আহিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্ছএপযোগে পঠিয়াব লাগিব। হোৱাট্ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা বিভাগৰ অধীনৰ নবোদয় বিদ্যালয় সমিতিয়ে মানকাচৰৰ টানগাঁৱত নতুন জৱাহৰ নবোদয় বিদ্যালয় নিৰ্মাণ প্ৰকল্প গ্ৰহণ কৰিছে। ইয়াৰ বাবে আজি বন বিভাগৰ ৩৫ বিঘা ভূমি অবৈধ দখলমুক্ত কৰি জৱাহৰ নবোদয় বিদ্যালয় হস্তান্তৰ কৰা হয়। বিধায়ক আমিনুল ইছলামৰ উপস্থিতিত হাটশিঙিমাৰী জিলা প্ৰশাসন আৰু বন বিভাগৰ সহযোগত ভূমিখিনি জৱাহৰ নবোদয় বিদ্যালয় কৰ্তৃপক্ষক আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰা হয়। বিদ্যালয় নিৰ্মাণৰ বাবে টানগাঁৱত মুঠ ৫৫ বিঘা ভূমি জৱাহৰ নবোদয় বিদ্যালয় কতৃপক্ষক গতাই দিয়া হ'ব।

০০০০০০

সমাপ্ত